তৃতীয় গোট ঃ

# চুটিগল্প

## অভাগীৰ স্বৰ্গ ঃ শৰৎ চন্দ্ৰ চট্টোপাধ্যায়

### গল্পকাৰৰ চমু পৰিচয় ঃ জীৱন আৰু কৃতিত্ব ঃ

বাংলা সাহিত্যৰ বিশিষ্ট লেখক, গল্পকাৰ, ঔপন্যাসিক তথা বিশিষ্ট কথাশিল্পী শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ে বাংলা সাহিত্যৰ ইতিহাসত এখনি বিশিষ্ট স্থান গ্ৰহণ কৰি আহিছে। ভাৰতৰ পশ্চিমবংগৰ হুগলি জিলাৰ দেৱানন্দপুৰ গাঁৱত ১৮৭৬ খ্ৰী.ৰ ১৫ ছেপ্টেম্বৰত শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ে জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃৰ নাম মতিলাল চট্টোপাধ্যায়। শৰৎ চন্দ্ৰৰ শৈশৱ আৰু কৈশোৰ জীৱন আছিল বৈচিত্ৰ্যপূৰ্ণ। দৰিদ্ৰতাৰ মাজেৰে জীৱন অতিবাহিত কৰা শৰৎ চন্দ্ৰৰ জীৱন উচ্চ মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তৰ অন্তহীন অভিজ্ঞতাৰে পৰিপূৰ্ণ আছিল। এক যৌথ পৰিয়ালৰ মাজতে ডাঙৰ দীঘল হোৱা শৰৎ চন্দ্ৰই আৰ্থিক দৈন্যতাৰ হেতুকে এফ.এ. পৰীক্ষাত বহিব পৰা নাছিল। আনকি একেটি কাৰণতে তেওঁৰ ছাত্ৰ জীৱনবো পৰিসমাপ্তি ঘটিছিল। কৰ্মজীৱনৰ পাতনিতে শৰৎ চন্দ্ৰই জমিদাৰী ষ্টেটৰ এটা সামান্য চাকৰিত যোগদান কৰিছিল। ১৯০৩ চনত তেওঁ সমুদ্ৰ পথেৰে ম্যানমাৰলৈ যায় ৰেঙ্গুণৰ একাউণ্টেট জেনেৰেলৰ অফিচত কেৰাণীপদত নিযুক্ত হয়। ইয়াতেই তেওঁৰ সাহিত্য সাধনাৰ পথ মুকলিত হয়। ১৯১৬ চনত তেওঁ পুনৰ কলিকতালৈ প্ৰত্যাৱৰ্ত্তন কৰে আৰু গভীৰভাৱে সাহিত্য সাধনাত মনোনিৱেশ কৰে। শৰৎ চন্দ্ৰ আধুনিক ভাৰতীয় সাহিত্যৰ এগৰাকী শ্ৰেষ্ঠ ঔপন্যাসিক আৰু বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ যোগ্য উত্তৰাধিকাৰীৰূপে মনোনীত হয়। ৰবীন্দ্ৰোত্তৰ কালৰ বাংলা উপন্যাস সাহিত্যৰ এগৰাকী অপ্ৰতিদ্বন্দী স্ৰষ্টা হিচাপে শৰৎ চন্দ্ৰই উপন্যাস সাহিত্যলৈ নতুনত্বৰ জোৱাৰ আনে। বংগদেশৰ সমাজচিত্ৰণত শৰৎ চন্দ্ৰৰ ৰচনাৰাজিয়ে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা

হেতুকে তেওঁক ৰুচ সাহিত্যিক লিও টলষ্টয়ৰ সৈতে তুলনা কৰা হৈছে। জনজীৱনৰ সাধাৰণ কথাকে সাৱলীল আৰু মৰ্মস্পৰ্শী ভাষাৰে উপস্থাপনৰ ক্ষেত্ৰত অসাধাৰণ কৃতিত্ব প্ৰদৰ্শন কৰি শৰৎ চন্দ্ৰই জনতাৰ প্ৰাণৰ ওচৰ চাপিবলৈ সক্ষম হৈছিল। শৰৎ চন্দ্ৰৰ সাহিত্য সাধনাৰ মূল মন্ত্ৰ হ'ল ঃ মানুহ আৰু মানৱতাৰ জয়জয়কাৰ। বেদনা জৰ্জৰিত ভূলুণ্ঠিত মানৱৰ ৰূপ অংকন কৰাত সিদ্ধহস্ত শৰৎ চন্দ্ৰ এক অনৱদ্য কালজয়ী সাহিত্যিক, অসাধাৰণ সাহিত্যিক ব্যক্তিত্বৰ বাবে তেওঁৰ অধিকাংশ ৰচনা বিভিন্ন ভাৰতীয় ভাষালৈ অনূদিত হৈছে। জীৱনজোৰা সাহিত্য সাধনাৰ স্বীকৃতি হিচাপে এই মহান সাহিত্যিক গৰাকীলৈ কলিকতা বিশ্ববিদ্যালয়ে জগত্তাৰিণী পদক আগবঢ়ায়। ১৯৩৬ চনত বংগদেশৰ ঢাকা বিশ্ববিদ্যালয়ৰ পৰা শৰৎ চন্দ্ৰই ডি-লিট্ উপাধি অৰ্জন কৰে।

১৯৩৮ চনৰ ১৬ জানুৱাৰীত কলিকতাৰ পাৰ্ক নাৰ্চিংহোমত তেওঁ অন্তিম নিশ্বাস ত্যাগ কৰে।

**শৰৎ চন্দ্ৰৰ উল্লেখযোগ্য ৰচনা ৰাজি ঃ**

উপন্যাস ঃ 'বৰদিদি', 'পৰিণীতা', পল্লী সমাজ, বৈকুণ্ঠৰ উইল, দেৱদাস, চৰিত্ৰহীন, শ্ৰীকান্ত, গৃহদাহ, দেনা-পাওনা, পথৰ দাবী আৰু শেষপ্ৰশ্ন।

গল্প সংকলন ঃ বিন্দুৰ ছেলে ও অন্য গল্প (১৯১৪), মেজদিদি (১৯১৫), কাশীনাথ (১৯১৭), স্বামী (১৯১৮), ছৱি (১৯২০), হৰিলক্ষ্মী (১৯২৬), অনুৰাধা সতী ও পৰেশ (১৯৩৪), ছেলেবেলাৰ গল্প (১৯৩৮), শৰৎ চন্দ্ৰৰ শ্ৰেষ্ঠ গল্প (১৯৫২)।

সুদীৰ্ঘ জীৱন পৰিক্ৰমাত শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ে সৰ্বমুঠ ৩১ টা গল্প লিখি হৈল। উক্ত গল্পসমূহ যমুনা, সাহিত্য, ভাৰতবৰ্ষ, নাৰায়ণ, ভাৰতী, আগমনী, বঙ্গবাণী, প্ৰভৃতি বিভিন্ন পত্ৰিকাত প্ৰকাশিত হৈছিল। ইয়াৰ ভিতৰত উল্লেখযোগ্য গল্পসমূহ হ'ল - ৰামেৰ সুমতি, কাশীনাথ, বোঝা, পথনিৰ্দেশ, বিন্দুৰ ছেলে, পথ ও ছায়া, অনুপমাৰ প্ৰেম, আধাৰ আলো, হৰিচৰণ, বৈৰাগী, বিলাসী, মামলাৰ ফল, মহেশ, অভাগীৰ স্বৰ্গ, পৰেশ, হৰিলক্ষ্মী, সতী, অনুৰাধা ইত্যাদি। এইবোৰৰ ভিতৰত 'ৰামেৰ সুমতি', 'বিন্দুৰছেলে' আৰু 'মেজদিদি' মূলতঃ বাৎসল্য প্ৰেমৰ

ভাব প্ৰকাশক। প্ৰেমৰ স্বৰূপ প্ৰকাশিত হোৱা গল্পসমূহৰ মাজেৰে সমসাময়িক বাঙালী সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, মাত-কথা আৰু পাৰিবাৰিক সুখ-দুখ, হাঁহি-কান্দোন, বিষাদ-বেদনাৰ স্বৰূপ প্ৰকাশিত হৈছে। 'মহেশ', 'অভাগীৰ স্বৰ্গ' আদি গল্পত সামন্তবাদী শোষণ, শাসন আৰু নিৰ্যাতন তথা অমানৱীয় দৃষ্টিভংগী প্ৰতিফলিত হৈছে। সেইদৰে 'কাশীনাথ', 'বোঝা', 'সতী' আদি গল্পৰ মাজেৰে দাম্পত্য প্ৰেম আৰু প্ৰেমহীনতাৰ ফলত উদ্ভৱ হোৱা সমস্যাৰ ছবি নিটোল ৰূপত অংকিত হৈছে। পাৰিবাৰিক আৰু সমাজ জীৱনৰ বিভিন্ন দিশ সামৰি 'বাল্যস্মৃতি', 'হৰিচৰণ', 'পৰেশ' প্ৰভৃতি গল্পসমূহ নিৰ্মাণ কৰা হৈছে।

শৰৎ চন্দ্ৰৰ গল্প ৰচনাৰ মূল উপজীৱ্য বাংলাৰ গ্ৰাম্য সংস্কৃতি আৰু গ্ৰাম্যজীৱনধাৰা। প্ৰায়বোৰ চৰিত্ৰই নিভাঁজ গাঁৱলীয়া সাঁচত ঢলা। নাৰী চৰিত্ৰ সমূহৰ ভিতৰত বিধৱা আৰু কংলকিতা নাৰীয়েও তেওঁৰ গল্পত প্ৰাধান্য লাভ কৰিছে। প্ৰেম সম্পৰ্কীয় গল্পসমূহৰ ভিতৰত 'দেৱদাস', 'বড়দিদি', 'পৰিণীতা', 'চন্দ্ৰনাথ' আদি গল্প উল্লেখযোগ্য। গল্পসমূহৰ মাজেৰে মানৱৰ চিৰশ্বাশ্বত প্ৰেমানুভূতিৰ সজীৱ চিত্ৰণ অনুভূত হয়। প্ৰেম সম্পৰ্কীয় গল্পৰাজিৰ মাজেৰে শৰৎ চন্দ্ৰৰ সহানুভূতি পূৰ্ণ সূক্ষ্ম অৰ্ন্তদৃষ্টিৰ পৰিচয় পোৱা যায়।

শৰৎ চন্দ্ৰৰ গল্পই অসাধাৰণ জনপ্ৰিয়তা অৰ্জন কৰিছিল। আনকি কবিগুৰু ৰবীন্দ্ৰনাথৰ ৰচনাকো ম্লান কৰি পেলাইছিল। ইয়াৰ প্ৰকৃত কাৰণ বিচাৰ কৰি বাংলা সাহিত্যৰ সম্পূৰ্ণ ইতিবৃত্তত অসিৎ কুমাৰ বন্দোপাধ্যায়ে অভিমত দাঙি ধৰিছে এনেদৰেঃ— 'তেওঁ বাংলাদেশৰ নিতান্ত কাষৰীয়া সাধাৰণ নৰ নাৰীৰ মলিন আৰু তুচ্ছ জীৱনকেই উপাদান হিচাপে গ্ৰহণ কৰিছিল। তাত বঙ্কিম, ৰবীন্দ্ৰ নাথৰ কল্পলোকচাৰী প্ৰেম আৰু ৰোমাঞ্চৰ বিপুল ঐশ্বৰ্য নাই বুলিলেই হয়। চৰিত্ৰবোৰত বাহিৰৰ পৰা কোনো আকাশস্পৰ্শী আদৰ্শ নাই, বাস্তৱজীৱনৰ প্ৰচণ্ড উত্তাপ নাই। সমাজ জীৱনৰ সুখ-দুখ আৰু অশ্ৰু বেদনা সহানুভূতিৰ ৰসত ডুবাই ইমান স্নিগ্ধ বেদনা মধুৰ কাহিনী কোনেও লিখিব পৰা নাই।'[১]